# বাহনা মহাবিদ্যালয় ছাত্র একতা সভাৰ সাধাৰণ নিৰ্বাচন ঃ ২০২২-২০২৩ বৰ্ষ

দিনাংক ঃ ০২-০৯-২০২২

## নিৰ্বাচনী বিধি

আগন্তুক সাধাৰণ নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীয়ে নিম্নলিখিত চৰ্ত্ত সমূহ মানি চলিবলৈ নিজকে প্ৰস্তুত কৰিব লাগিব ।

১। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে তলত উল্লেখ কৰা পদ সমূহত প্ৰতিদ্বন্দিতা কৰিব পাৰিব ।

(ক) সভাপতি / সভানেত্ৰী
(খ) উপ-সভাপতি / উপ-সভানেত্ৰী
(গ) সাধাৰণ সম্পাদক / সাধাৰণ সম্পাদিকা
(ঘ) সহঃসাধাৰণ সম্পাদক / সহঃ সাধাৰণ সম্পাদিকা
(ঙ) বহিঃক্ৰীড়া সম্পাদক
(চ) আন্তঃক্ৰীড়া সম্পাদক / সম্পাদিকা
(ছ) সাহিত্য চ'ৰা সম্পাদক / সম্পাদিকা
(জ) আনুষ্ঠানিক সম্পাদক / সম্পাদিকা
(ঝ) সঙ্গীত সম্পাদক / সম্পাদিকা
(ঞ) নাটক সম্পাদক / সম্পাদিকা
(ট) তৰ্ক সম্পাদক / সম্পাদিকা
(ঠ) আলোচনী (ইংৰাজী) সম্পাদক / সম্পাদিকা
(ড) আলোচনী (অসমীয়া) সম্পাদক / সম্পাদিকা
(ঢ) সমাজ সেৱা সম্পাদক / সম্পাদিকা
(ণ) ছাত্ৰ জিৰণী কোঠা সম্পাদক
(ত) ছাত্ৰী জিৰণী কোঠা সম্পাদিকা

২। একে গৰাকী ছাত্ৰ বা ছাত্ৰীয়ে সৰ্বাধিক দুটা পদৰ বাবে প্ৰাৰ্থিত্ব দিব পাৰিব । কিন্তু এটা পদতহে প্ৰতিদ্বন্দিতা আগবঢ়াব পাৰিব । এই ক্ষেত্ৰত নিম্নস্বাক্ষৰকাৰীৰ সিদ্ধান্ত চূড়ান্ত হ'ব ।

৩। উচ্চতৰ মাধ্যমিক শ্ৰেণী আৰু স্নাতক চূড়ান্ত বৰ্ষৰ (পঞ্চম আৰু ষষ্ঠ ষান্মাসিক) ছাত্ৰ-ছাত্ৰীয়ে আলোচনী সম্পাদক পদৰ প্ৰাৰ্থী হ'ব নোৱাৰিব ।

৪। স্নাতক পঞ্চম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে সভাপতি / সভানেত্ৰী আৰু তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে উপ-সভাপতি / উপ-সভানেত্ৰী পদৰ প্ৰাৰ্থী হ'ব পাৰিব ।

৫। স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকৰ (তৃতীয় আৰু চতুৰ্থ ষান্মাসিক) ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ সম্পাদক / সাধাৰণ সম্পাদিকা পদৰ প্ৰাৰ্থী হ'ব পাৰিব ।

৬। মহাবিদ্যালয়ৰ স্নাতক বা উচ্চতৰ মাধ্যমিক যিকোনো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সহকাৰী সাধাৰণ সম্পাদক / সাধাৰণ সম্পাদিকা পদৰ প্ৰাৰ্থী হ'ব পাৰিব ।

৭। তলত উল্লেখ কৰা পদ সমূহত ছাত্ৰীৰ প্ৰাৰ্থিত্ব গ্ৰহণ কৰা নহ'ব ।

(ক) ছাত্ৰ জিৰণী কোঠা সম্পাদক (খ) বহিঃক্ৰীড়া সম্পাদক

৮। তলত উল্লেখ কৰা পদত ছাত্ৰৰ প্ৰাৰ্থিত্ব গ্ৰহণ কৰা নহ'ব ।

(ক) ছাত্ৰী জিৰণী কোঠা সম্পাদিকা

৯। মহাবিদ্যালয়ৰ যিকোনো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে আন বিভাগ সমূহৰ বিভাগীয় সম্পাদক / সম্পাদিকা পদৰ প্ৰাৰ্থী হ'ব পাৰিব ।

১০। ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা নিৰ্বাচনত প্ৰাৰ্থী / প্ৰস্তাৱক / সমৰ্থক হ'ব নোৱাৰিব ।

১১। ছাত্ৰ একতা সভাৰ যোৱা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰাৰ্থিত্ব আগবঢ়াব নোৱাৰিব । প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীৰ সৰ্বোচ বয়স ২২ বছৰ হ'ব লাগিব ।

১২। প্ৰাৰ্থীৰ মহাবিদ্যালয়ত উপস্থিতিৰ হাৰ সন্তোষজনক হ'ব লাগিব । মনোনয়ন পত্ৰৰ লগত বিভাগীয় মুৰব্বী অধ্যাপক-অধ্যাপিকাই প্ৰদান কৰা সন্তোষজনক উপস্থিতিৰ প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব । উচ্চতৰ মাধ্যমিক শ্ৰেণীসমূহৰ বা মেজৰ নথকা ছাত্ৰ-ছাত্ৰী হ'লে ইংৰাজী বিভাগ বা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক-অধ্যাপিকাই প্ৰদান কৰা সন্তোষজনক উপস্থিতিৰ প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব ।

১৩। প্ৰাৰ্থীত্ব আগবঢ়াব বিচৰা ছাত্ৰ-ছাত্ৰী সকলৰ পৰীক্ষাত কোনো বিষয়তে বেক (Arrears) থাকিব নোৱাৰিব ।

১৪। প্ৰাৰ্থীত্ব আগবঢ়োৱা প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচনত সৰ্বোচ্চ ব্যয় ৫,০০০.০০ (পাঁচ হেজাৰ) টকা ।

১৫। প্ৰাৰ্থীত্ব আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী সকলে নিৰ্বাচনত কোনো ধৰণৰ Printed Poster / Pamphlet ব্যৱহাৰ কৰিব নোৱাৰিব ।

১৬। প্ৰচাৰ অভিযানত প্ৰাৰ্থীয়ে কোনো ধৰণৰ Loudspeaker, যান-বাহন আৰু জীৱ-জন্তু ব্যৱহাৰ কৰা নিষেধ ।

১৭। (ক) প্ৰাৰ্থী, প্ৰস্তাৱক আৰু সমৰ্থক সকলে নামভৰ্ত্তিৰ ৰছিদ মনোনয়ন পত্ৰৰ লগত গাঁঠি দিব লাগিব । লগতে বিগত পৰীক্ষা সমূহৰ Marksheet ৰ ফটোকপি জমা দিব লাগিব ।

বয়সৰ প্ৰমাণ-পত্ৰ হিচাপে H.S.L.C. ৰ Admit Card ৰ Xerox জমা দিব লাগিব ।

(খ) মনোনয়ন পত্ৰ বন্ধ খামত নিৰ্বাচন প্ৰাধিকাৰীৰ ঠিকনাত বা নমিনেচন বক্সত জমা দিব লাগিব ।

১৮। (ক) এজন প্ৰাৰ্থী অন্য এজন প্ৰাৰ্থীৰ প্ৰস্তাৱক বা সমৰ্থক হ'ব নোৱাৰিব ।

(খ) একেজন প্ৰস্তাৱক বা সমৰ্থকে দুজন বা ততোধিক প্ৰাৰ্থীৰ প্ৰস্তাৱক বা সমৰ্থক হ'ব নোৱাৰিব ।

১৯। (ক) মনোনয়ন পত্ৰ সংগ্ৰহ ঃ- অহা ইং ৩ ছেপ্তেম্বৰ, ২০২২ তাৰিখৰ দিনৰ ১১-০০ বজাৰ পৰা ইং ৬ ছেপ্তেম্বৰ, ২০২২ তাৰিখৰ বিয়লি ৩-০০ বজালৈকে মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ পৰা প্ৰতি প্ৰ-পত্ৰত ৫ .০০ (পাঁচ) টকা জমাদি মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব পাৰিব ।

(খ) মনোনয়ন পত্ৰ দাখিল ঃ- ৮ ছেপ্তেম্বৰ, ২০২২ (বিয়লি ৪-০০ বজালৈ) ।

(গ) মনোনয়ন পত্ৰ পৰীক্ষা আৰু বৈধ মনোনয়ন পত্ৰ সমূহৰ তালিকা প্ৰকাশ ঃ- ৯ ছেপ্তেম্বৰ, ২০২২ (পুৱা ১১-০০ বজা) ।

(ঘ) মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ তাৰিখ ঃ- ১০ ছেপ্তেম্বৰ, ২০২২ (পুৱা ১১-০০ বজাৰ ভিতৰত) ।

(ঙ) প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ ঃ- ১০ ছেপ্তেম্বৰ, ২০২২ (বিয়লি ১-০০ বজাত)

(চ) নিৰ্বাচনী প্ৰচাৰ অভিযান ঃ- ১৪ ছেপ্তেম্বৰ, ২০২২ বিয়লি ৩-০০ বজালৈ নিৰ্বাচনী প্ৰচাৰ চলাব পাৰিব । নিৰ্বাচনী প্ৰচাৰ মহাবিদ্যালয়ৰ ক্লাচসমূহ চলি থকাৰ সময়তহে ( পুৱা ৯-০০ বজাৰ পৰা বিয়লি ৩-০০ বজালৈকে) চলাব পাৰিব ।

(ছ) ভোট গ্ৰহণ ঃ- ১৬ ছেপ্তেম্বৰ, ২০২২ তাৰিখ পুৱা ১০-০০ বজাৰ পৰা দুপৰীয়া ১-০০ বজালৈ ।

(জ) ভোট গণনা ঃ- ১৬ ছেপ্তেম্বৰ, ২০২২ তাৰিখ দিনৰ ২-০০ বজাৰ পৰা ।

(ঝ) ফলাফল ঘোষণা ঃ- গণনা শেষ হোৱাৰ লগে লগে নিৰ্বাচনী প্ৰাধিকাৰীৰ দ্বাৰা ফলাফল ঘোষণা ।

(ঞ) ওজৰ-আপত্তি ঃ- নিৰ্বাচনী ফলাফল ঘোষণাৰ পিছত কোনো ওজৰ-আপত্তি থাকিলে লিখিত ভাবে **Grievance Redressal Cell** ক জনাব লাগিব ।

২০। অনুশাসনমূলক ব্যৱস্থা লোৱা ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়াব নোৱাৰিব ।

২১। মহাবিদ্যালয়ৰ স্থায়ী সম্পদৰ ওপৰত কোনো প্ৰাৰ্থীয়ে বেনাৰ, ৰং আদিৰে প্ৰচাৰ চলাব নোৱাৰিব ।

২২। ছাত্ৰ-ছাত্ৰী আৰু প্ৰাৰ্থীসকলে ৰাজনৈতিক নিৰ্লিপ্ততা অৱলম্বন কৰিব যাতে কোনো দলীয় ৰাজনীতি কাৰ্য্যকলাপে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ একতাত ব্যাঘাত নজন্মায় ।

২৩। নিৰ্বাচন সংক্ৰান্তত কোনো অশুভ পৰিস্থিতিৰ সৃষ্টি হ'লে নিৰ্বাচন প্ৰাধিকাৰীক দৃষ্টি গোচৰ

কৰা বাঞ্চনীয় । এনে ক্ষেত্ৰত গুৰুত্বৰ শাস্তি বিধান কৰা ক্ষমতা অধ্যক্ষৰ হাতত ন্যস্ত কৰা হৈছে ।

২৪ । মহাবিদ্যালয় কৰ্তৃপক্ষ, নিৰ্বাচনত জড়িত শিক্ষক-কৰ্ম্মচাৰী, প্ৰাৰ্থী, প্ৰস্তাৱক, সমৰ্থক আৰু ছাত্ৰ-ছাত্ৰী সকলে উচ্চতম ন্যায়ালয়ৰ নীতি নিৰ্দ্দেশনা (SLP (c) No. 24295/2004-University of Kerala Vs-Council, Principals of Colleges - Judgement dated 22-09-2006 passed by the Hon'ble Supreme Court of India) মানি চলিব লাগিব ।

২৫ । দফা ১৯ নং ত উল্লেখিত তাৰিখ সমূহ একান্তই এৰাব নোৱাৰা কাৰণত সলনি কৰিব লগীয়া হ'লে উক্ত তাৰিখৰ ৪৮ ঘণ্টাৰ আগত নিৰ্বাচনী প্ৰাধিকাৰীয়ে জাননী যোগে অৱগত কৰিব ।

২৬ । নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থী, ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীয়ে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে জাৰি কৰা কভিড-১৯ SOP মানি চলিব লাগিব ।

(ড° সঞ্জয় মিলি)
নিৰ্বাচন প্ৰাধিকাৰী,
বাহনা মহাবিদ্যালয়,

(ড° ফকৰুল ইছলাম লস্কৰ)
উপ-নিৰ্বাচন প্ৰাধিকাৰী,
বাহনা মহাবিদ্যালয়,

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন ২০২২-২০২৩ বৰ্ষ